

# সংগীত


"गीतं वाद्यं तथा नृत्यं
त्रयं संगीतमुच्यते।"

*গীতং বাদ্যং তথা নৃত্যং*
*ত্ৰয়ং সংগীতমুচ্যতে*

**অৰ্থ**

গীত, বাদ্য আৰু নৃত্যৰ বৈশিষ্ঠবোৰ ইজনে সিজনৰ পৰিপূৰক কিয়নো সেইবোৰ গভীৰভাৱে আন্তঃসংযুক্ত কলা। সেয়েহে, এই সকলোবোৰ সংগীত নামৰ এক ছত্ৰৰ তলতেই বৰ্তমান।

উৎস: সংগীত ৰত্নাকৰ,
শ্লোক ২১ স্বৰগতাধ্যায়



# শিক্ষকসকললৈ টোকা

সংগীতে সহানুভূতি জাগৰণ, সহযোগিতা বৃদ্ধি আৰু আত্মপ্ৰকাশৰ সুবিধা প্ৰদান কৰাৰ গুৰুত্বপূৰ্ণ ক্ষমতা ৰাখে। এই কিতাপখনৰ উদ্দেশ্য হৈছে শিক্ষাৰ্থীসকলক সংগীতৰ প্ৰশংসা কৰিবলৈ আৰু মৌলিক দক্ষতা শিকিবলৈ অনুপ্ৰাণিত কৰা। বিশেষকৈ প্ৰাৰম্ভিক পৰ্যায়ত শিক্ষাৰ্থীসকলক কেৱল নিৰ্দিষ্ট ফলাফলৰ ওপৰত গুৰুত্ব দিয়াতকৈ পাঠত উৎসাহেৰে অংশগ্ৰহণ কৰিবলৈ আৰু প্ৰক্ৰিয়াটো উপভোগ কৰিবলৈ কিতাপখনৰ পৰা নিৰ্দিষ্ট গীত আৰু কাৰ্যকলাপৰ পৰিচয় কৰোৱাটো চিত্তাকৰ্ষক হ'ব।

১. গান গোৱা, বাদ্যযন্ত্ৰ বজোৱা, শ্ৰৱণ, সৃজন আদি ঘৰত অনুশীলন কৰিলে দক্ষতা গঢ়ি তোলাত সহায় কৰে। ই শিক্ষাৰ্থীসকলক স্বতঃস্ফূৰ্তভাৱে একেটা কাম কৰিবলৈ উৎসাহিত কৰে।
২. এক্সপোজাৰৰ বাবে শিক্ষাৰ্থীসকলক জীৱন্ত সংগীত পৰিৱেশনলৈ লৈ যোৱাৰ কথা বিবেচনা কৰক।
৩. এজন সংগীতজ্ঞক আপোনাৰ বিদ্যালয়লৈ নিমন্ত্ৰণ কৰক। শিশুসকলক প্ৰশ্ন সুধিবলৈ আৰু শিল্পীৰ সৈতে বাৰ্তালাপ কৰিবলৈ উদগনি দিয়ক।
৪. শিক্ষাৰ্থীসকলে ধৰ্মীয় আৰু সাংস্কৃতিক উদযাপনৰ সময়ত ঘৰত শুনিবলৈ পোৱা গীতবোৰ গাবলৈ ভাল পায়। শিশুসকলক ঘৰত শিকা শ্ৰেণীকোঠাত সেই গানবোৰ গাবলৈ উদগনি দিয়ক।
৫. দৈনন্দিন জীৱনত সংগীতৰ অনেক শৈলীৰ বিভিন্ন অভিজ্ঞতা লাভ কৰাৰ বহুতো সুযোগ বিদ্যমান। শ্ৰেণীবোৰৰ মাজত, স্কুলৰ ঘণ্টা বজোৱাৰ সলনি, এক সুমধুৰ সুৰ বজোৱাৰ কথা চিন্তন কৰক যি শিক্ষাৰ্থীসকলৰ মনোযোগ আকৰ্ষণ কৰিব।
৬. এই শাখাত বহুতো কাৰ্যকলাপ দিয়া হৈছে। আপুনি বিভিন্নতাৰ বাবে এই কাৰ্যকলাপবোৰ যোগ দিব পাৰে।
৭. কিতাপখনৰ বেছিভাগ গীত আৰু কাৰ্যত এটা অডিঅ' বা ভিডিঅ' সম্পদ অন্তৰ্ভুক্ত কৰা হৈছে যাক পাঠ্যপুথিত প্ৰদান কৰা QR কোড স্কেন কৰি ব্যৱহাৰ কৰিব পাৰি।

আপুনি আৰু শিক্ষাৰ্থীসকলে সংগীত নিৰ্মাণৰ এই যাত্ৰা টো ভালদৰে উপভোগ কৰাটোৱাই এই সংগীত পাঠ্যক্ৰমটিৰ সদিচ্ছা। আমি তেওঁলোকৰ মাজত সংগীতৰ প্ৰতি এক আজীৱন প্ৰেম জাগ্ৰত কৰাৰ লক্ষ্য ৰাখিছোঁ, যিয়ে ইয়াৰ প্ৰতি শ্ৰেণীকোঠাৰ বাহিৰতো এক গভীৰ সমৰ্থন বৃদ্ধি কৰিব।

### শ্ৰেণীকোঠাৰ বাবে সমল

১. শ্ৰেণীকোঠাটো এনে এক স্থান হ'ব লাগে য'ত সংগীত শিকাটো আমোদজনক আৰু আৰামদায়ক হয়। শিক্ষাৰ্থী আৰু শিক্ষক উভয়েই আৰামদায়ক ভাৱে বহি একেলগে গান গাবলৈ সমৰ্থ হ'ব লাগে। মজিয়াত বহাটো সংগীতৰ শ্ৰেণীৰ বাবে সৰ্বশ্ৰেষ্ঠ ব্যৱস্থা। ই শিশুসকলক যোগৰ ব্যায়ামৰ দৰেই সুস্থিতি আৰু সঠিক উশাহ-নিশাহৰ বিষয়ে শিকাত সহায় কৰে। শিক্ষকসকলে গীতটোৰ বিষয়বস্তুৰ ওপৰত আধাৰ কৰি বিভিন্ন শৈলী আৰু ধৰণত আসন সলনি কৰিব পাৰে। ই শ্ৰেণীটোক অধিক আকৰ্ষণীয় আৰু সৃষ্টিশীল কৰি তোলে আৰু শিক্ষাৰ্থীসকলৰ নৱোন্নয়নৰ দক্ষতা বৃদ্ধি কৰাত সহায় কৰে।
২. ইণ্টাৰনেট সংযোগ থকা কম্পিউটাৰ, স্পীকাৰত তানপুৰা আৰু অন্য শ্ৰব্য পাঠন সমল বজোৱাৰ বাবে এপ্প ডাউনলোড কৰাৰ ব্যৱস্থা।
৩. শ্ৰেণীকোঠাত সৰল সঁজুলি প্ৰস্তুত কৰিবলৈ সামগ্ৰীৰ ব্যৱস্থা।
৪. বিদ্যালয়ত প্ৰদৰ্শনৰ বাবে মাইক্ৰ'ফোন আৰু ধ্বনি প্ৰণালীৰ ব্যৱস্থা।
৫. সৰল সঁজুলি যেনে হাৰমোনিয়াম, ধোল, মঞ্জিৰা, শ্বেকাৰ, টেম্বুৰিন, মাউথ অৰ্গান, ইলেক্ট্ৰনিক তানপুৰা, তবলা আদিৰ ব্যৱস্থা।
৬. শিক্ষাৰ্থীসকলক ভাৰতৰ তেনে ৰাজ্যবোৰৰ স্থানসমূহৰ অৱস্থান দেখুৱাবলৈ এখন মানচিত্ৰ উপযোগী হ'ব য'ত, বিভিন্ন ভাষাত নিয়মিত ব্যৱহৃত বিভিন্ন ৰচনা সৃষ্টি হয়।

© NCERT not to be republished



অধ্যায় ৬

# সঙ্গীত আৰু তোমাৰ আৱেগ

উদ্দেশ্য: সঙ্গীতে কেনেদৰে মনোভাৱ আৰু আৱেগক প্ৰভাৱিত কৰে, তাক বুজিবলৈ সঙ্গীতৰ ৰচনাবোৰ শুনা, সাঙ্গীতিক উপাদান সমূহৰ জৰিয়তে তোমাৰৈৰ চিন্তা আৰু অনুভূতি প্ৰকাশ কৰিবলৈ শিকা।

0680CH06

**শিক্ষকসকললৈ টোকা**

ইয়াত দিয়া মালায়ালম গানটো শিক্ষাৰ্থীয়ে বুজি নপোৱা অন্য এটা ভাষাত থাকিলেও সংগীতে সুৰ আৰু ছন্দৰ জৰিয়তে যে সমস্ত আৱেগ প্ৰকাশ কৰিব পাৰে তাক বুজাবলৈ উদাহৰণ হিচাপে দিয়া হৈছে। আপুনি এই কথাটো বৰ্ণনা কৰিবলৈ শিক্ষাৰ্থীসকলৰ বাবে অপৰিচিত ভাষাত এটা গীত বজাব পাৰে।

## কাৰ্য্য ১: এই গানটো শুনা

ভাষা: মালয়ালম

*কুট্টনাডন্ পুঞ্চয়িলে*
*কোচ্চুপেণ্ণে কুয়িলালে*
*কোট্টু ৰেণং কুড়ল্ ৰেণং কুৰৱ ৰেণং*
*কুট্টনাডন্ পুঞ্চয়িলে,*
*তিত্তৈ তক তৈ তৈ তোম্*

*কোচ্চুপেণ্ণে কুয়িলালে তিত্তি তাৰা তৈ তোং*
*কোট্টু ৰেণং কুড়ল্ ৰেণং কুৰৱ ৰেণং*
*(ও....তিত্তিত্তাৰা তিত্তিতৈ তিত্তৈ তক তৈ তৈ তোম্)*
*x (৪)*
*ৰৱৰেল্ কনালু ৰেণং কোডি*
*তোৰণঙ্গল্ ৰেণম্*
*বিজয়শ্ৰী লালি তৰায় ৰৰুন্নু*
*এঞ্জল্*
*(ও....তিত্তিত্তাৰা তিত্তিতৈ তিত্তৈ তক তৈ তৈ তোম্)*
*x (৪)*
*কৰুত্ত চিড়কু ৰচ্চু তিত্তৈ তক তৈ তৈ তোং*
*অৰয়ন্ন কিলি পোলে তিত্তিত্তাৰা তৈ তোং*
*কৰুত্ত চিৰকু ৰচ্চোৰ অৰয়ন্ন কিলি পোলে*
*কুতিচ্চু কুতিচ্চু পায়ুং কুতিৰ পোলে*
*(ও....তিত্তিত্তাৰা তিত্তিতৈ তিত্তৈ তক তৈ তৈ তোং)*
*x (৪)*



© NCERT not to be republished

- বজোৱা গানটোৰ প্ৰতি তোমাৰ কেনে অনুভূতি হৈছে?
- তোমাৰ ওচৰতো এটি গীত আছে নেকি যিয়ে ভাল লগা স্মৃতিবোৰ ঘূৰাই আনে? গানটো গোৱা।
- তুমি শব্দবোৰ মনত কৰিব নোৱাৰিলেও সুৰটি গুনগুনাব পাৰিবা নে?

## কাৰ্য্য ২: সঙ্গীত আৰু আমাৰ স্মৃতি

সঙ্গীতৰ আমাৰ চিন্তা আৰু আৱেগক প্ৰভাৱিত কৰাৰ শক্তি আছে। সঙ্গীত শুনা আৰু সৃষ্টি কৰা কাৰ্য্যই আমাক আনন্দিত কৰিব পাৰে।

*এটি গানে অতীতৰ ঘটনা আৰু সেইবোৰৰ অংশ হোৱা লোকসকলৰ স্মৃতি ৰোমন্থন কৰাব পাৰে। ইয়াক সংগীতজাগ্ৰত স্মৰণ বোলা হয়!*

### গীতবোৰ গোৱা

বিজ্ঞাপনবোৰৰ সৈতে বজোৱা বিভিন্ন প্ৰকাৰৰ সঙ্গীতবোৰ শুনা, আৰু এই কিতাপখনত বা তোমাৰ কম্পিউটাৰত প্লেলিষ্ট এটি বনোৱা।

*তোমাৰ মা-দেউতাক আৰু ককা-আইতাক তেওঁলোকৰ শৈশৱৰ পৰা তেওঁলোকৰ প্ৰিয় গানটোৰ বিষয়ে সোধা। তেওঁলোকে এই গানবোৰৰ সৈতে কি কি ঘটনা স্মৰণ কৰে?*

**নিম্নলিখিত বাকচবোৰত যিকোনো যোজনা বা গীত লিখকা যিটো তুমি মনত পেলাব পাৰা।**

এটা উৎসৱৰ গীত . . .

____________________

____________________

____________________

____________________

© NCERT not to be republished

## কাৰ্য্য ৩: শুনা আৰু অনুভৱ কৰা

আমি পুৱাৰ পৰা সন্ধিয়ালৈকে বিভিন্ন ধৰণৰ সঙ্গীতেৰে আবৃত হৈ আছোঁ। তুমি বিভিন্ন ধৰণৰ সঙ্গীতৰ শব্দ শুনি তোমাৰ কেনে অনুভূতি হয় ভাৱা। শেহ্নাই, নাদস্বৰম্, ঢোল, ডমৰু, এডাইক্কাৰ শব্দ বা এটি সুমধুৰ গীত মনত পেলোৱা- এই সুৰবোৰ শুনি তুমি কি অনুভৱ কৰা? সেই শব্দবোৰে তোমাক আনন্দিত কৰে নে, তোমাক নাচিবলৈ অনুপ্ৰাণিত কৰে নে,এনে এক শান্তিৰ অনুভূতি যাক তুমি নীৰৱে উপভোগ কৰিব বিচাৰা বা যিয়ে গুনগুনাবলৈ বাধ্য কৰে? এই সুমধুৰ শব্দবোৰ শুনাৰ পৰত জীৱনলৈ অহা এই অনুভূতিবোৰকেই আৱেগ বুলি কোৱা হয়। আৱেগ সকলো ব্যক্তিৰ ক্ষেত্ৰতেই অন্তৰ্নিহিত এটি সহজাত বৈশিষ্ট্য। আহা আমি কিছুমান বাদ্যযন্ত্ৰৰ সঙ্গীত শুনি সেই একেই অভিজ্ঞতা লাভ কৰোঁ! সঙ্গীতৰ ৰচনাবোৰ শুনি তুমি কি অনুভৱ কৰিছিলা? তোমাৰ আৱেগবোৰ লিখা।

১. ______________________________

২. ______________________________

৩. ______________________________



ভায়োলিন

ইয়াত থকা সকলো বোৰ সঙ্গীতৰ ৰচনা, এটা ভায়োলিন ব্যৱহাৰ কৰি বজোৱা হৈছিল।


তোমাৰ কণ্ঠই যেনেদৰে বিভিন্ন আৱেগ আৰু মনোগতি যেনে- সুখ, দুখ, উচ্চস্বৰ, আৰু মৃদুতা - প্ৰকাশ কৰিব পাৰে - এটি বাদ্যসঁজুলিৰো বিভিন্ন শব্দৰ জৰিয়তে বিবিধ আৱেগ জাগ্ৰত কৰাৰ ক্ষমতা থাকে।

তুমি ভায়োলিনৰ শব্দ শুনিছা। এতিয়া, আমাৰ দেশত জনপ্ৰিয়ভাৱে বজোৱা আন বাদ্যযন্ত্ৰবোৰৰ শব্দ শুনিবলৈ প্ৰয়াস কৰা। যেনে- বাঁহী, চিতাৰ, শেহ্নাই, তবলা ইত্যাদি, আৰু বিভিন্ন শব্দ আৰু সুৰে কেনেদৰে বিভিন্ন আৱেগ সৃষ্টি কৰে বুজিবলৈ চেষ্টা কৰা।

© CERT not to be republished

## কাৰ্য্য ৪: সঙ্গীত অঙ্কন

এতিয়ালৈ আলোচনা কৰা পৰ্যন্ত সঙ্গীতৰ প্ৰতিটো ৰচনাই এটা কাহিনী কয়। এতিয়া, আহা আমি এইটো চেষ্টা কৰোঁ; সঙ্গীতৰ এটা ৰচনা শুনা আৰু ইয়াক তোমাৰ নিজৰ কলাৰ জৰিয়তে উপস্থাপন কৰা। তুমি ৰঙৰ পেঞ্চিল, কলম বা ৰং ব্যৱহাৰ কৰি আঁকিব আৰু ৰং কৰিব পাৰা। তোমাৰ অঙ্কনক এটা নাম বা শিৰোনাম দিয়া।



© NCERT not to be republished



হাততালি দিয়া | জোৰে পদাঘাত কৰা | টেপ কৰা | চুটকি বজোৱা | গুণগুণোৱা | সুহুৰি দিয়া

## কাৰ্য্য ৫: সঙ্গীতৰ মাধ্যমেৰে তোমাৰ অনুভূতি প্ৰকাশ কৰা

তুমি শব্দ অবিহনে সঙ্গীতৰ মাধ্যমেৰে যিকোনো অনুভূতি প্ৰকাশ কৰিবলৈ তোমাৰ শৰীৰটি ব্যৱহাৰ কৰিব পাৰিবানে?

যেতিয়া তুমি খং কৰা, তুমি কি কৰা? যেতিয়া তুমি সুখী হোৱা, তুমি কি কৰা? যেতিয়া তুমি দুখী হোৱা, তুমি কি কৰা?

তুমি এই আৱেগবোৰ প্ৰকাশ কৰিবলৈ তোমাৰ কণ্ঠ স্বৰ বা শৰীৰৰ ঘাতাবাদন (হাততালি, ষ্টম্প, স্নেপ, উশাহ) ব্যৱহাৰ কৰিব পাৰা।

### শিক্ষকসকললৈ টোকা

শ্ৰেণীটোক বিভিন্ন গোটত বিভক্ত কৰক আৰু প্ৰতিটো গোটক পাঠ্যক্ৰমৰ যিকোনো দিশৰ পৰা এটা থীম বা বিষয় দিয়ক। দলটোৱে তাল আৰু সুৰৰ জৰিয়তে তেওঁলোকৰ ধাৰণাবোৰ সাংগীতিকভাৱে প্ৰকাশ কৰিব লাগিব। তেওঁলোকে কাৰ্যকলাপ ৬-ৰ অধীনত পৰৱৰ্তী পৃষ্ঠাত বৰ্ণনা কৰা স্বৰ আৰু লয়ৰ তাৰতম্যতাৰ ধাৰণাবোৰো ব্যৱহাৰ কৰিব পাৰে। উল্লিখিত এই প্ৰক্ৰিয়াটো প্ৰয়োগ কৰক বা শিক্ষাৰ্থীসকলে স্বপদ্ধতি প্ৰয়োগ কৰিব পাৰে।

### দৃশ্য ১

আমাৰ বিদ্যালয়ৰ এখন চাফাৰীলৈ আহিবলগীয়া ক্ষেত্ৰ ভ্ৰমণৰ বাবে মই উৎসাহিত হৈ উঠিছোঁ! বাহিৰত চৰাইবোৰৰ কোমল কলৰৱ আৰু মোৰ কোঠাটোত মই মোৰ আলমিৰাত চালি-জাৰি চাই আছিলোঁ। মই পছন্দৰ পোছাকজোৰ নোপোৱালৈকে বিভিন্ন পোছাক পিন্ধি চেষ্টা কৰোঁ। "আহ! এইয়া পালোঁ!" বন্যজগতখন অন্বেষণ কৰিবলৈ সাজু অনুভৱ কৰি আনন্দেৰে কৈ উঠিলোঁ।

### দৃশ্য ২

দীঘলীয়া বাছ যাত্ৰাৰ পিছত, আমি আমাৰ গন্তব্যস্থানত উপস্থিত হ'লো। আমি চাফাৰী জীপখনত উঠিবলৈ প্ৰস্তুত হোৱাৰ লগে লগে, গছৰ পাতবোৰক ফুচফুচোৱাই আৰু নচোৱাই এজাক মৃদু বতাহ পাৰ হৈ যায়। গছবোৰ সুন্দৰভাৱে জোকাৰ খাই গ'ল।


### দৃশ্য ৩

যেতিয়া আমি অৰণ্যৰ গভীৰতালৈ যাওঁ, আমি অসংখ্য প্ৰাণী আৰু উদ্ভিদ দেখিলোঁ। পোক-পতংগৰ ধ্বনি, চৰাই-চিৰিকতিৰ চীঁ-চিয়নি আৰু জীৱ-জন্তুৰ প্ৰতিধ্বনিত শব্দেৰে অৰণ্যখন প্ৰাণেৰে স্পন্দিত হৈ আছে।

© NCERT not to be republished

তুমি জানানে

> জন্তুবোৰো আমাৰ দৰেই আৱেগপূৰ্ণ। তুমি লক্ষ্য কৰিছানে যে বহুতো চৰাই আৰু জন্তুৱে এটাই আনটোৰ সৈতে যোগাযোগ কৰিবলৈ শব্দ ব্যৱহাৰ কৰে? চৰাইবোৰে যোগাযোগ কৰিবলৈ চীঁ-চিয়নি ব্যৱহাৰ কৰে। ভাৰতৰ ৰাষ্ট্ৰীয় জলজ প্ৰাণী গঙ্গা নদীৰ ডলফিন অন্ধ আৰু বাৰ্তা ভাগ বতৰা কৰিবলৈ ক্লিক আৰু সুহুৰিৰ মিশ্ৰিত ধ্বনি ব্যৱহাৰ কৰে। মতা হাম্পবেক তিমিবোৰ তেওঁলোকৰ সুদীৰ্ঘ তথা জটিল গীতবোৰৰ বাবে বিখ্যাত। তুমি জন্তুবোৰক শব্দৰ জৰিয়তে তেওঁলোকৰ অনুভূতি প্ৰদৰ্শন কৰা দেখিছে নে? কিছুমান উদাহৰণ সহভাগ কৰা।



## সম্প্ৰসাৰিত কাৰ্য্যকলাপ

এটা আঞ্চলিক লোককাহিনী বা জাতক আৰু পঞ্চতন্ত্ৰৰ কাহিনী বৰ্ণনা কৰা। বৰ্ণনাটো সাঙ্গীতিক উপাদান বা গীতৰ সৈতে একীভূত কৰা যিয়ে কাহিনীটো জীৱন্ত কৰাত সহায় কৰিব!

## কাৰ্য্য ৬: সাঙ্গীতিক উপাদানবোৰৰ বিষয়ে শিকা

### স্বৰ আৰু লয়

তুমি কেতিয়াবা লক্ষ্য কৰিছানে যে সুখী, খঙাল বা দুখী হ'লে তুমি কেনেদৰে বিভিন্ন স্বৰ আৰু ধ্বনি ব্যৱহাৰ কৰা? স্বৰ আৰু লয় আৱেগৰ আদান-প্ৰদানৰ বাবে ব্যৱহাৰ কৰা হয়। স্বৰে আমাক স্বৰমানটোৰ উচ্চ বা নিম্নতা আৰু লয়ে আমাক সঙ্গীতৰ এটি ভাগ কিমান ডাঙৰ বা মৃদু সেই বিষয়ে কয়।

### ছন্দ

সকলোতে ছন্দ আছে। তুমি কেতিয়াবা তোমাৰ হৃদস্পন্দন শুনিছা নে? মন কৰিবা যে তোমাৰ খোজ কঢ়াৰ ছন্দ তোমাৰ ককা-আইতাতকৈ কেনেদৰে পৃথক? সঙ্গীতত, ছন্দ হৈছে এটি গানত বিদ্যমান এনে এক বিন্যাস যাৰ এক সমমিত লয় থাকে ।

### স্বৰৰ গীত

ভিডিঅ'টি চোৱা আৰু 'স্বৰৰ গীত'টি গোৱা। এই গীতটি শংকৰাভৰণম্ ৰাগম বা ৰাগ বিলাৱলৰ আধাৰিত। গীতটি গাওঁতে স্বৰৰ তাৰতম্যৰ প্ৰতি মনোযোগ দিয়া। ছন্দ বজাই ৰাখিবলৈ তোমাৰ হাতৰ ব্যৱহাৰ কৰা।



নাক্কাৰা



ঘুমট

দুয়োটা বাদ্যযন্ত্ৰৰ ভিন্ন ভিন্ন স্বৰ আছে। নাক্কাৰাৰ ধ্বনি বৃহৎ তথা ঘুমটৰ এক গম্ভীৰ অনুৰণন বিদ্যমান।

© NCERT not to be republished

## তুমি জানানে

সপ্ত স্বৰৰ ভিতৰত মাত্ৰ পাঁচটাৰহে ধৰণ আছে। যিহেতু, S আৰু P-ৰ বৈভিন্নতা নাই, সেয়েহে ইয়াক *অচল স্বৰ* বুলি কোৱা হয়। বাকীবোৰ স্বৰ যেনে- R, G, M, D, N আদিক *চল স্বৰ* বোলা হয়, যিহেতু তেওঁলোকৰ প্ৰতিটোৰ দুটা কৈ ধৰণ আছে।

হিন্দুস্তানী আৰু কৰ্ণাটিক সংগীতত স্বৰৰ উচ্চাৰণ

| | হিন্দুস্তানী | কৰ্ণাটিক |
|---|---|---|
| S | সা | সা |
| R | ৰে | ৰি |
| G | গা | গা |
| M | মা | মা |
| P | পা | পা |
| D | ধা | দা |
| N | নী | নী |

**আমি কৰ্ণাটিক আৰু হিন্দুস্তানী সঙ্গীতত গোৱা সকলোবোৰ *স্বৰৰ* নাম জানোঁ আহা। স্বৰৰ সংখ্যা মুঠ ১২ টা ।**

| হিন্দুস্তানী সঙ্গীত | কৰ্ণাটিক সঙ্গীত |
|---|---|
| সা — ষডজ | সা— ষডজম |
| ৰে— ঋষভ | ৰি— ঋষভম |
| কোমল ঋষভ, শুদ্ধ ঋষভ | শুদ্ধ ঋষভম, চতুশ্ৰুতি ঋষভম |
| গা— গান্ধাৰ | গা— গান্ধাৰম |
| কোমল গান্ধাৰ, শুদ্ধ গান্ধাৰ | সাধাৰণ গান্ধাৰম, অন্তৰ গান্ধাৰম |
| মা— মধ্যম | মা— মধ্যমম |
| শুদ্ধ মধ্যম, তীব্ৰ মধ্যম | বিশুদ্ধ মধ্যমম, প্ৰতি মধ্যমম |
| পা— পঞ্চম | পা— পঞ্চমম |
| ধা— ধৈৱত | দা — দৈৱতম |
| কমল ধৈৱত, শুদ্ধ ধৈৱত | শুদ্ধ দৈৱতম, চতুশ্ৰুতি দৈৱতম |
| নী— নিষাদ | না — নিষাধম |
| কোমল নিষাদ, শুদ্ধ নিষাদ | কৈশিকি নিষাধম, কাকলি নিষাধম |

**স্বৰবোৰ লিখোঁতে, আমি S, R, G, M, P, D, N হিচাপে লিখিম।**

চলচ্চিত্ৰৰ গীত, *ভজন,* আঞ্চলিক গীত, লোক-সঙ্গীত, সুমধুৰ বাদ্যসঙ্গীত আদি সকলোবোৰেই সঙ্গীতৰ - S, R, G, M, P, D, N এই স্বৰসমূহৰ দ্বাৰাই ৰচিত । এই টোকাবোৰৰ সহায়তেই সকলো ৰচনা বা গীত সৃষ্টি কৰা হয়।

ভাৰতীয় সঙ্গীতত শাস্ত্ৰীয় সঙ্গীতকে আদি কৰি এনেক ধৰণ বিদ্যমান যেনে হিন্দুস্তানী আৰু কৰ্ণাটিক, লগতে লোককলা, অৰ্ধ-

© NCERT not to be republished

তুমি জানানে

শ্ৰীমতী এম.এছ. সুব্বুলক্ষ্মী সৰ্ব সময়ৰ আটাইতকৈ বিখ্যাত আৰু অনুপ্ৰেৰণাদায়ক কৰ্ণাটিক সংগীত তজ্ঞসকলৰ মাজত অন্যতম। তেখেত ভাৰত চৰকাৰৰ পৰা ভাৰত ৰত্ন লাভ কৰা প্ৰথম সংগীতজ্ঞ আছিল। কৰ্ণাটিক সংগীতৰ উপৰিও, তেওঁ বহুতো ভজন আৰু সংস্কৃত শ্লোক গাইছিল। সেই সমূহৰ ভিতৰত 'হৰি তুম হৰো' আৰু 'বৈষ্ণৱ জনতো' গান্ধীজীৰ প্ৰিয় ভজন আছিল। তেখেত নিজৰ মৌলিকতা, সৰলতা আৰু সংগীতৰ বিশুদ্ধতাৰ বাবে প্ৰসিদ্ধ। তেখেতে স্বকীয় যাদুকৰী কণ্ঠেৰে ভক্তি সমৃদ্ধ গীত গাইছিল।



শাস্ত্ৰীয়, ভক্তিমূলক, দেশপ্ৰেমমূলক আৰু চলচ্চিত্ৰ সঙ্গীত আদি।

## কাৰ্য্য ৭: কণ্ঠস্বৰ ৱাৰ্মআপ

**কণ্ঠৰ ব্যায়াম**

তলৰ স্বৰমানবোৰৰ বিন্যাসটোৰ নাম হৈছে *আলঙ্কাৰ* বা *সৰ্গম*।

অলঙ্কাৰ মানে সজ্জাকৰণ বা আভূষিতকৰণ। ঠিক যেনেদৰে গহনাবোৰ সোণ আৰু মূল্যৱান ৰত্নাদিৰ বিভিন্ন সজ্জাৰ সৈতে আকাৰ দিয়া হয়, সঙ্গীতৰো সাতোটা স্বৰ ভিন্ন বিন্যাসত সজ্জিত কৰা হয় যাতে এনে এক সুৰ সৃষ্টি হয় যি আনন্দদায়ক আৰু নান্দনিক হয়। সকলো সঙ্গীতেই কাণৰ বাবে আনন্দদায়ক হ'ব লাগে, অৰ্থাৎ, *শ্ৰুতি মধুৰ*।

1.

| |
|---|
| SR RG GM MP PD DN NṠ |
| ṠN ND DP PM MG GR RS |

2.

| |
|---|
| SRG RGM GMP MPD PDN DNṠ |
| ṠND NDP DPM PMG MGR GRS |

3.

| |
|---|
| SRGM RGMP GMPD MPDN PDNṠ |
| ṠNDP NDPM DPMG PMGR MGRS |

4.

| |
|---|
| SR |
| SRG |
| SRGM |
| SRGMP |
| SRGMPD |
| SRGMPDN |
| SRGMPDNṠ |

| |
|---|
| ṠN |
| ṠND |
| ṠNDP |
| ṠNDPM |
| ṠNDPMG |
| ṠNDPMGR |
| ṠNDPMGRS |

5.

| |
|---|
| SG RM GP MD PN DS |
| SD NP DM PG MR GS |

6.

| |
|---|
| SM RP GD MN PS |
| SP NM DG PR MS |

© NCERT not to be republished

তুমি জানানে

ভাৰত ৰত্ন বঁটা প্ৰাপ্ত লতা মংগেশকাৰ ভাৰতীয় চলচ্চিত্ৰ জগতৰ অন্যতম শ্ৰেষ্ঠ নেপথ্য গায়িকা আছিল। তেওঁ ৩৬ টাতকৈও অধিক ভাৰতীয় ভাষাত তথা কেইটামান বিদেশী ভাষাতো গীত ৰেকৰ্ড কৰিছিল। তেখেতৰ সুমধুৰ কণ্ঠস্বৰ তিনিটা অষ্টক বিস্তৃত আছিল। তেওঁৰ দেশপ্ৰেমমূলক গীত 'অয়ে মেৰে ৱতন কে লোগোন' ১৯৬২ চনৰ যুদ্ধত প্ৰাণ হেৰুওৱা ভাৰতীয় সৈনিকসকলৰ প্ৰতি উৎসৰ্গা কৰিছিল।



## কাৰ্য্য ৮: মেডলি

মেডলি হৈছে এক মিশ্ৰণ বা এটি সঙ্গীত হিচাপে একেলগে বজোৱা বিভিন্ন গীত বা সুৰৰ সংমিশ্ৰণ। আহা আমি উপভোগ কৰোঁ।

1. প্ৰতিটো গানে প্ৰকাশ কৰিবলৈ চেষ্টা কৰা মনোভাৱ চিনাক্ত কৰা। আনকি তুমি ভাষাটো নাজানিলেও, সঙ্গীতৰ উপাদানবোৰে এক নিৰ্দিষ্ট আৱেগ প্ৰকাশ কৰাত সহায় কৰে নে?
2. এই প্ৰতিটো ৰচনাৰ ছন্দই কি প্ৰকাশ কৰে?
3. প্ৰতিটো গীতত সঙ্গীতৰ উপাদানবোৰ চিনাক্ত কৰা।



থাভিল, পুংগী, চিমতা, গীটাৰ আদিৰ সৈতে এটা গান গাব পাৰি।

### মেডলি এটা গাবলৈ শিকোঁ আহা

মেডলি বা ইয়াত থকা কেইটামান গীত শিকা। শ্ৰেণীটোক গোটত বিভক্ত কৰিব পাৰি আৰু প্ৰতিটো গোটে মেডলীৰ এটা টুকুৰা উপস্থাপন কৰিব পাৰে। এই মেডলীটো ভাৰতৰ বিভিন্ন প্ৰান্তৰ উদযাপনমূলক গীতৰ এটা পংক্তি। এই আমোদজনক গীতবোৰ গাওঁতে গতি কৰা, লৰচৰ কৰা আৰু ছন্দ মিলোৱা!



কাৰাওকেৰ সৈতে যিকোনো মেডলী গাবলৈ শিকা

© NCERT not to be republished

## কাৰ্য্য ৯: লয়, সুৰ আৰু ছন্দৰ খেল খেলোঁ আহা

এই খেলবোৰ শিক্ষাৰ্থীসকলক প্ৰদান কৰা উদ্দেশ্যবোৰ লাভ কৰাত সহায় কৰিবলৈ প্ৰস্তুত কৰা হৈছে। শিক্ষকসকলক তেওঁলোকৰ নিজৰ খেলবোৰ ভাবিবলৈ আৰু আকাৰ দিবলৈ উৎসাহিত কৰা হয় যিয়ে স্থানীয় সঙ্গীত সংস্কৃতি প্ৰতিফলিত কৰে।

**কাৰ্য্য ১:** ধ্বনি চিনাক্ত কৰা (স্বৰমান, বিন্যাস, শৈলী)।

এজন শিক্ষাৰ্থীৰ চকু বান্ধি আন শিক্ষাৰ্থীয়ে শ্ৰেণীত জনা বা শিকোৱা গীত এটি গাব পাৰে। চকু বন্ধা শিক্ষাৰ্থীজনে গীত গোৱা ছাত্ৰজনক চিনাক্ত কৰিবলৈ সক্ষম হ'ব লাগিব।



### শিক্ষকসকললৈ টোকা

- প্ৰতিজন শিক্ষাৰ্থীৰ তেওঁলোকৰ স্বৰমান, বিন্যাস আৰু কথা কোৱাৰ আৰু গান গোৱাৰ শৈলীৰ পাৰ্থক্য থাকে। এই কাৰ্যকলাপটো কৰি শ্ৰেণীটোৱে তেওঁলোকৰ সহপাঠীসকলৰ কণ্ঠস্বৰৰ বিন্যাস, শৈলী আৰু লয় বুজিবলৈ আৰু চিনাক্ত কৰিবলৈ সক্ষম হ'ব।
- শিক্ষাৰ্থীসকলক পৰিয়াল বা সমাজৰ যিকোনো ব্যক্তিৰ কণ্ঠত বিভিন্ন কণ্ঠস্বৰৰ বিন্যাস আৰু লয় চিনাক্ত কৰিব দিয়ক। ই বিভিন্ন শব্দ আৰু সেইবোৰৰ উৎস চিনাক্ত কৰাৰ প্ৰতি সংবেদনশীলতা বিকশিত কৰিব।
- বিভিন্ন বাদ্যযন্ত্ৰত যিকোনো গান বজাওক, আৰু ইয়াৰ শব্দ আৰু গাঁথনিৰ ওপৰত আধাৰিত কৰি বাদ্যযন্ত্ৰটো চিনাক্ত কৰিবলৈ কওঁক।

**কাৰ্য্য ২:** সুৰৰ ওপৰত ভিত্তি কৰি গীতটি চিনাক্ত কৰা।

শ্ৰেণীত জনা বা শিকোৱা গান এটা গুণগুণাবলৈ যিকোনো শিক্ষাৰ্থীৰ বাছনি কৰক। সুৰটো শুনি শ্ৰেণীৰ আন শিশুৱে গানটো চিনাক্ত কৰিবলৈ সক্ষম হ'ব লাগিব।

© NCERT not to be republished





**শিক্ষকসকললৈ টোকা**

এনে কাৰ্যকলাপে খেলৰ পথ পদ্ধতিত উপস্থাপন কৰোঁতে আগ্ৰহ আৰু আত্মবিশ্বাস সক্ৰিয় কৰে।

**কাৰ্য্য ৩:** লয়ৰ খেল:

৩, ৪, ৫, ৭,৯ সংখ্যাৰ গোটৰ শিক্ষাৰ্থীসকলে তেওঁলোকৰ নাম তলত দিয়া ধৰণে উচ্চাৰণ কৰিব পাৰে।

তিনিজনীয়া শিক্ষাৰ্থীৰ গোটক তা, কি, তা নাম দিয়া হ'ব আৰু গোটটোৰ নাম হ'ব লাগিব 'তিস্ৰ'।

চাৰিজন শিক্ষাৰ্থীৰ গোটক ধ,গে,না, তী নাম দিয়া হ'ব আৰু গোটটোৰ নাম হ'ব লাগিব 'চতুৰস্ৰ'।

পাঁচজনীয়া শিক্ষাৰ্থীৰ গোটক তা, কা, তা, কি, তা নাম দিয়া হ'ব আৰু গোটটোৰ নাম হ'ব লাগিব 'খণ্ড'।

সাতজনীয়া শিক্ষাৰ্থীৰ গোটক তি, তি, না, ধি, না, ধি, না নাম দিয়া হ'ব আৰু গোটটোৰ নাম হ'ব লাগিব 'মিশ্ৰ'।

**শিক্ষকসকললৈ টোকা**

- এই খেলটো হৈছে শিক্ষাৰ্থীসকলৰ মাজত ছন্দৰ অনুভূতি (দ্ৰুতি, চক্ৰ, বিন্যাস) বৃদ্ধি কৰা।
- শিক্ষকসকলে তেওঁলোকৰ নিজা বিন্যাস আৰু গোট আকাৰ দিব পাৰে আৰু শিক্ষাৰ্থীসকলৰ মাজত যিকোনো ছন্দৰ খেল খেলিব পাৰে।

স্বৰ আৰু তালৰ উপাদান, কণ্ঠস্বৰৰ ব্যায়াম, মেডলি আৰু যিকোনো ৰচনাযুক্ত নিজৰ এটি খেল নিৰ্মাণ কৰা।

নজন শিক্ষাৰ্থীৰ গোটক তা, কা, দি, মি, তা, কা, তা, কি, তা নাম দিয়া হ'ব লাগে আৰু গোটটোৰ নাম হ'ব লাগে 'সঙ্কীৰ্ণ'।



© NCERT not to be republished